2015

# ASSAMESE

Paper : 1.04 (Old Course)

## HISTORY OF LITERARY CRITICISM (EAST AND WEST)

Full Marks : 80

Time : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখা ঃ ১ × ৮ = ৮

(ক) ভৰত মুনিৰ ৰসনিষ্পত্তি সূত্ৰটো কি?

(খ) বক্ৰোক্তিক কাব্যৰ জীৱন স্বৰূপ বুলি কোনে কৈছিল?

(গ) সাহিত্য দৰ্পণৰ ৰচয়িতা আলংকাৰিকজন কোন?

(ঘ) ভূক্তিবাদৰ প্ৰৱৰ্তক আচাৰ্যজনৰ নাম কি?

(ঙ) এৰিষ্টটলৰ মতে কাহিনীৰ প্ৰকাৰ কিমান?

(চ) লিৰিকেল বেলাড্চৰ দ্বিতীয় সংস্কৰণটো কিমান চনত প্ৰকাশ পাইছিল?

(ছ) ধ্ৰুৱবাদৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(জ) লংগিনাছ কোন দেশৰ নাগৰিক আছিল?

২। চমুকৈ উত্তৰ লিখা ঃ ২ × ৩ = ৬

(ক) নৱৰসৰ স্থায়ীভাৱবোৰ লিখা

(খ) বৈপৰীত্য (Revesal) ৰ সংজ্ঞা দাঙি ধৰা

(গ) এৰিষ্টটলৰ মতে মহাকাব্য কেইপ্ৰকাৰৰ আৰু কি কি?



সিপিঠিত

৩। চমুটোকা লিখা (যিকোনো দুটা) ৫ × ২ = ১০

(ক) ৰসনিষ্পত্তি

(খ) সপ্রয়োজনা লক্ষণা

(গ) নতুন সমালোচনা (New criticism)

(ঘ) অনিৰ্বচনীয়ত্ব (Sublimity)

তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা

৪। কাব্যত থকা দোষৰ স্বৰূপ কি? শব্দগত দোষ আৰু অৰ্থগত দোষৰ বিভাগবোৰ উল্লেখ কৰি উভয়বিধৰে পাঁচটাকৈ বিভাগ উদাহৰণসহ আলোচনা কৰা। ২+২+১০=১৪

৫। বক্ৰোক্তি কাক বোলে? বক্ৰতাৰ প্ৰধান ভেদবোৰ উদাহৰণসহ আলোচনা কৰা। ২+১২=১৪

৬। ধ্বনিৰ স্বৰূপ কি? ধ্বনিৰ প্ৰকাৰ ভেদবোৰ উল্লেখ কৰি যিকোনো পাঁচপ্ৰকাৰৰ ধ্বনিৰ স্বৰূপ উদাহৰণসহ আলোচনা কৰা। ১৪

৭। এৰিষ্টটলৰ মতে ট্ৰেজেডীৰ কাহিনীৰ বৈশিষ্ট্য, প্ৰকাৰ তথা প্ৰাথমিকতা সম্পৰ্কত এক চমু আলোচনা আগবঢ়োৱা। ১৪

৮। কাব্যিক শব্দচয়ন (Poetic Diction) সম্পৰ্কত ৱৰ্ডছ্‌ৱৰ্থৰ মতামত ব্যক্ত কৰা। ১৪

৯। আৰ্ণল্ডে আগবঢ়োৱা সমালোচনাৰ ধাৰণাৰ চমু পৰিচয় সহ সমালোচনাৰ সামাজিক আৰু সাংস্কৃতিক প্ৰাসংগিকতা বিচাৰ কৰা। ১৪

১০। পাশ্চাত্য সমালোচনাৰ ইতিহাসত টি.এছ. এলিয়টৰ স্থান নিৰূপণ কৰা। ১৪

—— × ——